# ৰিপাব্লিক অফ উজবেকিস্তানৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ডিচেম্বৰ 01, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 1 ডিচেম্বৰ 2023ত UAE ত অনুষ্ঠিত হোৱা COP-28 শীৰ্ষ সন্মিলনৰ আঁৰত ৰিপাব্লিক অফ উজবেকিস্তানৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীযুত শ্বাভকাট মিৰ্জিঅ'য়েভৰ সৈতে সাক্ষাৎ কৰে।

2. প্ৰধানমন্ত্ৰীয়ে ভইচ অৱ গ্ল'বেল চাউথ শীৰ্ষ সন্মিলনত উজবেকিস্তানে অংশগ্ৰহণ কৰাৰ বাবে ৰাষ্ট্ৰপতি মিৰ্জিঅ'য়েভক ধন্যবাদ জনায়।

3. দুয়োগৰাকী নেতাই স্বাস্থ্য, শিক্ষা, ঔষধ আৰু পৰম্পৰাগত চিকিৎসাৰ ক্ষেত্ৰত তেওঁলোকৰ ব্যাপক দ্বিপাক্ষিক সম্বন্ধক গভীৰ কৰাৰ সন্দৰ্ভত মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে উজবেকিস্তানৰ সৈতে আমাৰ উন্নয়নমূলক অংশীদাৰিত্ব সম্প্ৰসাৰণৰ ক্ষেত্ৰতো ভাৰতৰ সমৰ্থনৰো আশ্বাস দিয়ে।

**ডুবাই**
**ডিচেম্বৰ 01, 2023**